NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ৬ অক্টোবৰলৈ ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া কৌতিল্য অৰ্থনৈতিক বৈঠকত অংশগ্ৰহণ কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে চৰকাৰী কাৰ্যসূচীৰে আজি শ্ৰীলংকাত উপস্থিত হ'ব।

৩। ভাৰত, নেপাল আৰু বাংলাদেশে ভাৰতৰ পাৱাৰগ্ৰীডৰ জৰিয়তে নেপালৰ পৰা বাংলাদেশলৈ ৪০ মেগাৱাট বিদ্যুৎ ৰপ্তানি কৰাৰ বাবে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছে।

৪। কেন্দ্ৰীয় কেবিনেটে ১১ লাখ ৭২ হাজাৰৰো অধিক ৰেল কৰ্মচাৰীৰ বাবে ৭৮ দিনৰ উৎপাদনশীলতা সংযোজিত বনাচত অনুমোদন জনাইছে।

*আৰু*

৫। শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি ডুবাইত হভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ৬ অক্টোবৰলৈ ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া কৌতিল্য অৰ্থনৈতিক বৈঠকত অংশগ্ৰহণ কৰিব। এই বৰ্ষৰ সন্মিলনে সেউজ পৰিৱৰ্তনৰ বিনিয়োগ, ভূ-অৰ্থনৈতিক বিভাজন আৰু বিকাশৰ বাবে প্ৰভাৰ স্থিতিস্থাপকতা আৰু সংৰক্ষণৰ বাবে নীতিগত পদক্ষেপ আদিৰ দৰে বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ আৰু নীতি নিৰ্ধাৰণকাৰী উভয়ে ভাৰতীয় অৰ্থনীতি আৰু গোলকীয় অৰ্থনীতিৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হ'ব। এই অৰ্থনৈতিক সন্মিলন বিত্ত মন্ত্ৰালয়ৰ অংশীদাৰিত্বত অৰ্থনৈতিক বিকাশ প্ৰতিষ্ঠানৰ দ্বাৰা আয়োজন কৰা হৈছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে চৰকাৰী কাৰ্যসূচীৰে আজি শ্ৰীলংকাত উপস্থিত হ'ব। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়াকে বিগত সপ্তাহত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত ভাৰত আৰু শ্ৰীলংকাৰ মাজত দ্বিপাক্ষী সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে এয়া হ'ব প্ৰথম  উচ্চ পৰ্যায়ৰ ভ্ৰমণ। ড০ জয়শংকৰে শ্ৰীলংকাৰ ৰাষ্ট্ৰীপতিগৰাকীৰ লগতে প্ৰধানমন্ত্ৰী ড০ হাৰিনি আমাৰাছুৰীয়াক সাক্ষাৎ কৰিব। তেওঁ লগতে শ্ৰীলংকাৰ বিদেশ মন্ত্ৰীগৰাকীকো সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিক প্ৰতিফলিত কৰি দ্বীপ ৰাষ্ট্ৰখনক সহায়ৰ প্ৰতি থকা ভাৰতৰ দায়বদ্ধতাক পুনৰ প্ৰতিষ্ঠা কৰিব। ইয়াৰ উপৰি দুয়োখন দেশৰ মাজত দীৰ্ঘদিন ধৰি অব্যাহত থকা পাৰস্পৰিক বিষয়সমূহ সুদৃঢ় কৰিব।

০০০০০০০

ভাৰত, নেপাল আৰু বাংলাদেশে ভাৰতৰ পাৱাৰগ্ৰীডৰ জৰিয়তে নেপালৰ পৰা বাংলাদেশলৈ ৪০ মেগাৱাট বিদ্যুৎ ৰপ্তানি কৰাৰ বাবে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছে। কালি কাঠমাণ্ডুত স্বাক্ষৰিত এই ত্ৰিপাক্ষিক চুক্তিৰ ফলত নেপাল প্ৰথম বাৰৰ বাবে বাংলাদেশক বিদ্যুৎ বিক্ৰী কৰিবলৈ সক্ষম হ'ব। ইয়াৰ আগতে নেপালে কেৱল ভাৰতলৈ বিদ্যুৎ ৰপ্তানি কৰি আহিছে। এই চুক্তিয়ে নেপালৰ বিদ্যুৎ শক্তি ভাৰতীয় ভূখণ্ডলৈ ৰপ্তানিৰ জৰিয়তে দুয়োখন দেশৰ মাজত বাণিজ্যিক আন্তঃগাঁথনি শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। চুক্তি অনুসৰি ভাৰতে বাংলাদেশলৈ একে পৰিমাণৰ বিদ্যুৎ প্ৰেৰণ কৰাৰ আগতে নেপালে ৪০০ কিলোৱাট বিদ্যুৎ শক্তি ধলকেবাৰ-মুজাফৰপুৰ ট্ৰেন্সমিছন লাইনৰ জৰিয়তে ভাৰতলৈ প্ৰেৰণ কৰিব।

০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, মহাত্মা গান্ধীৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছতাক এটা গণজাগৰণলৈ পৰিৱৰ্তন কৰিলে আৰু জনসাধাৰণৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এটা পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত বৃহত বৰঙণি আগবঢ়াইছে। মন্ত্ৰীগৰাকীয়ে কালি আহমেদাবাদত ৪৭০ কোটি টকাৰো অধিক ভালেমান উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ভালেমান প্ৰকল্প মুকলি কৰি এই কথা প্ৰকাশ কৰে। শ্ৰী শ্বাহে কয় যে, বিগত ৫টা বছৰত গান্ধী নগৰ সংসদীয় সমষ্টিত স্বাস্থ্য আন্তঃগাঁথনি, শিক্ষাকে ধৰি জনসাধাৰণৰ কল্যাণৰ বাবে ৩৭ হাজাৰ কোটি টকাৰো অধিক ভালেমান প্ৰকল্পৰ কাম কৰা হৈছে। তেওঁ আহমেদাবাদ পৌৰ সভাই প্ৰাথমিক বিদ্যালয়সমূহ স্মাৰ্ট বিদ্যালয় হিচাপে বিকশাই তোলা কাৰ্য উল্লেখযোগ্য বুলি অভিহিত কৰে। শ্ৰী শ্বাহে তেওঁৰ গৃহ ৰাজ্য ভ্ৰমণৰ সময়ছোৱাত নিজৰ সংসদীয় সমষ্টি গান্ধী নগৰৰ জি এম ই আৰ এছ চিকিৎসালয়ত নতুনকৈ নিৰ্মাণ কৰা এটা টেলী পুনৰ সংস্থাপন কেন্দ্ৰকে ধৰি ভালেমান প্ৰকল্প মুকলি কৰে। ইয়াৰ পাছতে শ্ৰী শ্বাহে আহমেদাবাদৰ সমীপত বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। তেওঁ শ্বাহিবাগত নতুনকৈ নিৰ্মাণ কৰা আহমেদাবাদ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়টো উদ্বোধন কৰাৰ লগতে আহমেদাবাদৰ জি এম ডি চি গ্ৰাউণ্ডত গুজৰাট টুৰিজিমে আয়োজন কৰা গুজৰাট নৱৰাত্ৰি উৎসৱৰ শুভাৰম্ভ কৰে। তেওঁ লগতে আহমেদাবাদৰ তিনিটা স্থান নৱৰাত্ৰি উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০০

কেন্দ্ৰীয় কেবিনেটে ১১ লাখ ৭২ হাজাৰৰো অধিক ৰেল কৰ্মচাৰীৰ বাবে ৭৮ দিনৰ উৎপাদনশীলতা সংযোজিত বনাচত অনুমোদন জনাইছে। এই অনুসৰি মুঠ কেন্দ্ৰীয় বনাচৰ পৰিমাণ হ'ব দুহেজাৰ ২৯ কোটি টকা। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে উৎপাদনশীলতা সংযোজিত বনাচ পৰিশোধ, পি-এল-বিয়ে কৰ্মচাৰীসকলক ৰেলৱেৰ প্ৰদৰ্শন উন্নত কৰাৰ দিশত কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত উৎসাহ প্ৰদান কৰিব।

০০০০০০০

আজিৰে পৰা পঞ্চদশ অধিবেশনৰ কেৰালা বিধানসভাৰ দ্বাদশ সংখ্যক অধিবেশন আৰম্ভ হ'ব। ৯দিনীয়া এই এধিবেশনত সাতখন বিধেয়ক সম্পৰ্কত আলোচনা হ'ব বুলি অধ্যক্ষ এ এন ছামচিৰে উল্লেখ কৰে। অধিবেশনৰ

আৰম্ভণিৰ দিনাই সদনে কেৰালাৰ ৱায়নাড আৰু কোজিকোড়ি জিলাত সংঘটিত হোৱা ভূমিস্খলনৰ ঘটনাত নিহত লোকসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। বাকী ছদিনত চৰকাৰী ব্যৱসায় আৰু ব্যক্তিগত সদস্যৰ ব্যৱসায় সম্পৰ্কে সদনত আলোচনা হ'ব। অধিবেশন ১৮ অক্টোবৰলৈ চলিব।

ooooooo

ইজৰাইলে যোৱা নিশাৰ ভিতৰতে লেবাননৰ ৰাজধানী বেৰুটত আক্ৰমণ কৰাৰ ফলত কমেও ৯জন লোক নিহত হয়। ইজৰাইলে কালি নিশা দক্ষিণ লেবাননত ৰাষ্ট্ৰসংঘৰ বাফাৰ জ'নৰ উত্তৰে সম্প্ৰসাৰিত স্থানান্তৰৰ নিৰ্দেশ দিছিল। লেবাননৰ সেনাই প্ৰথম বাৰৰ বাবে ইজৰাইলী সেনাৰ ওপৰত গুলীবৰ্ষণ কৰি যুদ্ধ প্ৰৱেশ কৰাৰ লগে লগে কালিৰ সংঘৰ্ষটোৱে নতুন ৰূপ লয়। এই সংঘৰ্ষৰ ফলত দুগৰাকী নেবানিজ সৈন্যৰ মৃত্যু হয়। ইফালে, কূটনৈতিক ক্ষেত্ৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ইৰাণৰ তৈল ক্ষেত্ৰসমূহত ইজৰাইলৰ সম্ভাব্য আক্ৰমণ সন্দৰ্ভত চলি থকা আলোচনাৰ বিষয়ে প্ৰকাশ কৰে। অৱশ্যে তেওঁ ইৰাণৰ পাৰমাণৱিক কেন্দ্ৰসমূহৰ ওপৰত যিকোনো আক্ৰমণৰ বিৰোধিতা প্ৰকাশ কৰে। ইৰাণৰ শেহতীয়া মিছাইল আক্ৰমণৰ পাছত ইজৰাইলে প্ৰতিশোধ আৰু ইতিমধ্যে প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ পৰিপ্ৰেক্ষিতত আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে উত্থাপন কৰা আলোচনাৰ প্ৰাসংগিক হৈ পৰিছে।

ooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক নিষিদ্ধ ঘোষণা কৰে। কালি ন্যায়ালয়ে নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ শুনানি লৈ উচ্চ ন্যায়লয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অফলাইন তথা অনলাইন কোনো মাধ্যমতে লটাৰী অনুষ্ঠিত কৰিবলৈ যাতে অনুমতি নিদিয়ে তাৰ বাবে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ প্ৰতি নিৰ্দেশনা জাৰি কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। লগতে কোনো অবৈধ লটাৰী অনুষ্ঠিত কৰাৰ ঘটনা দৃষ্টিগোচৰ হ'লে লগে লগে আয়োজকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা ল'বলৈ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিয়ে।

ooooooo

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি ডুবাইত হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন খেলত ছফী ডিভাইন নেতৃত্বাধীন নিউজিলেণ্ডৰ মুখামুখি হ'ব। আনহাতে, আজি বিয়লিঅনুষ্ঠিত হ'বলগীয়া আন এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত এই খেলৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা অহা ২০ অক্টোবৰলৈ চলিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে।

প্ৰথমখন খেলত বাংলাদেশে স্কটলেণ্ডক ১৬ ৰানত পৰাস্ত কৰিছে। টছত জিকি বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত স্কটলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১০৩ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

আনহাতে, কালি শ্বাৰজাহত অনুষ্ঠিত দ্বিতীয়খন খেলত পাকিস্তানে শ্ৰীলংকাক ৩১ ৰাণত পৰাস্ত কৰে। পাকিস্তানে বান্ধি দিয়া ১১৭ ৰাণৰ লক্ষ্য আগত ৰাখি শ্ৰীলংকাই বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ৮৫ ৰাণ কৰিবলৈ সক্ষম হয়।

০০০০০০০

সমাপ্ত